# নিমন্ত্ৰণী পত্ৰ

# অৰ্কিড মহোৎসৱ - ২০২১





চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়ৰ উদ্যোগত
আৰু
অসম অৰ্কিড চছাইটিৰ লগতে সাৰথি স্বেচ্ছাসেৱী সংস্থাৰ সহযোগত

তাৰিখ ঃ ০৩-০৪-২০২১, পুৱা ৮ বজাৰ পৰা
স্থান ঃ চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়

"লঠঙা গছত, সপোন ফুলিল
বহাগ আহিল ফুলিয়ে মাতিল
ফুলিল বহুৰঙী কপৌফুল"

প্ৰতি :.......................................................................................

নমস্কাৰ।

পৃথিৱীৰ সকলো ঠাইতে সিঁচৰিত হৈ থকা অৰ্কিড এবিধ চিত্তাকৰ্ষক মনোৰম ফুল। 'কপৌফুল' প্ৰতিজন অসমীয়াৰ মন পুলকিত কৰা এটি নাম, এটি অনুভৱ। বসন্তৰ চৌপাশ মুখৰিত কৰা অসমীয়া বাপতি সাহোন ৰঙালী বিহুটিৰ কোঁহে কোঁহে অনেক স্মৃতি, মধুৰ সম্পৰ্ক জড়িত হৈ থকা এটি নাম। কপৌফুলৰ সুবাসত মতলীয়া আমাৰ প্ৰত্যেক অসমীয়া। আমাৰ অতিকৈ চেনেহৰ ব'হাগৰ বিহুটিত তাহানি কোনোবা বিহুৱা ডেকাই বিহুৱতী নাচনী মৰমৰ চিন স্বৰূপে এপাহি কপৌফুল গুঁজি দিয়া পৰম্পৰা আছিল। এই উপহাৰতেই লুকাই আছিল জীৱনৰ অনেক ৰং, অনেক সপোন, প্ৰেৰণা আৰু উৎসাহ। প্ৰকৃতি ৰাণীক মতলীয়া কৰা ৰঙে ৰূপে-গোন্ধে আমোল মোলোৱা নানা তৰহৰ ফুল নাহৰ, তগৰ ইত্যাদিৰ ভিতৰত কপৌফুলহে নাচনী বিহুৱতীৰ অতি প্ৰিয়। সেয়েহে কপৌফুল অতি মৰমৰ অতি চেনেহৰ।

ৰহস্যময় গঠন, সুবাস, কোমলতা আৰু ৰঙৰ বৈচিত্ৰতাই অৰ্কিডক পুষ্প জগতত এক অনন্য আসন দিছে। যাৰ বাবে পৃথিৱীত এইবিধ ফুলৰ দৰে আন কোনো ফুলেই প্ৰকৃতি তথা ফুল প্ৰেমীসকলক আকৃষ্ট কৰিব পৰা নাই। সমগ্ৰ বিশ্বৰ লগতে আমাৰ প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপুৰ অসমীৰ প্ৰাকৃতিক কোলাত কপৌফুল বিভিন্ন গাঁও-ভূঁই, হাবি-বননি, গছ-গছনিত সিঁচৰিত হৈ আছে। কপৌফুলৰ সৌন্দৰ্য্য অতি মনোৰম তথা বিতোপন। কপৌ ফুল অবিহনে আমাৰ মৰমৰ ৰঙালী বিহুটি সম্পূৰ্ণ নহয়। অসমৰ কপৌফুলক জাতীয় ফুল বুলি সম্মানিত কৰা হৈছে।

প্ৰকৃতিৰ চৌদিশে এতিয়া কপৌফুলৰ ৰাজত্ব। তেনে সময়তে এটি মিঠা অনুভৱত জীপাল হৈ উঠিছে চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়ৰ অৰ্কিড সমূহো। মহাবিদ্যালয়ৰ অৰ্কিড গৃহত এতিয়া কেৱল কপৌ ফুলৰ জাতিস্কাৰ। বিশ্বত বৰ্তমান অৰ্কিডৰ ১৪০০ বৰ্গ আৰু ৩০০০০ হাজাৰৰো অধিক প্ৰজাতি আছে। ইয়াৰে ১৮৪ বৰ্গৰ প্ৰায় ১৩০০ প্ৰজাতিৰ ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত বিৰাজমান। অৰ্কিড কেৱল সৌন্দৰ্য্যবৰ্ধনতে সীমাবদ্ধ নহয়, এই ফুল ঔষধী গুণসম্পন্ন। আন্তৰাষ্ট্ৰীয় বজাৰত ইয়াৰ যথেষ্ট চাহিদা আছে। বৰ্তমান বিভিন্ন কাৰণত বৈন্য অৰ্কিডৰ কিছুমান প্ৰজাতি লুপ্ত হোৱাৰ দিশে অগ্ৰসৰ হৈছে গতিকে অৰ্কিডৰ সংৰক্ষণ আৰু গৱেষণাৰ প্ৰয়োজন হৈ পৰিছে। অসমীয়া জাতি গঠনৰ প্ৰাণ স্বৰূপ এই কপৌফুলক লৈ এখনি অৰ্কিড মহোৎসৱ ৩ এপ্ৰিল ২০২১ শনিবাৰে চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়ৰ চৌহদত আয়োজন কৰা হৈছে। উক্ত দিনটোত আপোনাৰ উপস্থিতি একান্তই কামনা কৰিলো। আশা কৰো আপোনাৰ/আপোনালোকৰ উপস্থিতিয়ে অৰ্কিড মহোৎসৱ খনি সফল কৰি তুলিব। সদৌ শেষতে অনুষ্ঠানটিলৈ আপোনাক সাদৰে নিমন্ত্ৰণ জনালোঁ।

বিশেষ আকৰ্ষণ ঃ
১. অসমৰ বাৰেৰহনীয়া সাংস্কৃতিক সমাৰোহ
২. অৰ্কিড সংৰক্ষণৰ ওপৰত আলোচনা চক্ৰ
৩. অৰ্কিড প্ৰদৰ্শনী আৰু বিক্ৰী (হাইব্ৰিড)
৪. বিহু প্ৰদৰ্শন

ধন্যবাদেৰে-
ইতি

| সমন্বয়ক | সম্পাদক | সম্পাদক | সভাপতি ও সহ-সমন্বয়ক | অধ্যক্ষ |
|---|---|---|---|---|
| ড° পাৰ্থ নাথ দত্ত | শ্ৰী মিঠু গগৈ | শ্ৰী মনোজ কুমাৰ দাস | ড° জিতু গগৈ | ড° ৰঞ্জিত শইকীয়া |
| চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয় | অসম অৰ্কিড ছ'চাইটি | সাৰথি স্বেচ্ছাসেৱী সংস্থা, চিলাপথাৰ | অসম অৰ্কিড ছ'চাইটি<br>চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয় | চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয় |
| ৮৬৩৮০২৩৪২১ | ৯১০১৩৯৮৬১১ | ৯৬৭৮৯১৫৯৪৪ | ৯৯৫৪০৩৮৮৫৭ | ৭০০২৮১৮৬৭০ |

Scanned with CamScanner

# কাৰ্য্যসূচী

# অৰ্কিড মহোৎসৱ - ২০২১

**চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়ৰ উদ্যোগত**

**আৰু**

**অসম অৰ্কিড চছাইটিৰ লগতে সাৰথি স্বেচ্ছাসেৱী সংস্থাৰ সহযোগত**





**তাৰিখ ঃ ০৩-০৪-২০২১, পুৱা ৮ বজাৰ পৰা**

**স্থান ঃ চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়**

"লঠঙা গছত, সপোন ফুলিল
বহাগ আহিল কুলিয়ে মাতিল
ফুলিল বহুৰঙী কপৌফুল"

১) পুৱা ৮.০০ বজাতঃ সামুহিক চাফাই

২) পুৱা ৮.৩০ বজাতঃ পতাকা উত্তোলন

উত্তোলকঃ

১) ড° ৰঞ্জিত শইকীয়া, অধ্যক্ষ
চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়

২) ড° জিতু গগৈ
সভাপতি অৰ্কিড চছাইটি অৱ আসাম

৩) শ্ৰীযুক্তা দুলুমনি দত্ত
সভানেত্ৰী 'সাৰথি' স্বেচ্ছাসেৱী সংস্থা

৩) পুৱা ৯.০০ বজাতঃ অৰ্কিড ৰোপন ও কৰ্মশালা

আঁত ধৰিবঃ শ্ৰীযুত মিথু গগৈ
সম্পাদক, অৰ্কিড চছাইটি অৱ আসাম
শ্ৰী দেৱজিৎ গগৈ
উপ-সভাপতি অৰ্কিড চছাইটি অৱ আসাম

৪) পুৱা ১০.০০ বজাতঃ আলোচনা চক্ৰঃ- অৰ্কিড সংৰক্ষন ও সংবৰ্ধন

সমল ব্যক্তিঃ ১) ড° ভাস্কৰ বুঢ়াগোহাঞিঃ, সহকাৰী অধ্যাপক
উদ্ভিদ বিজ্ঞান বিভাগ, মৰিয়নী মহাবিদ্যালয়, মৰিয়নী
২) শ্ৰীযুত বদন সোনোৱাল
ইঞ্জিনীয়াৰ এছিছটেন্ট, অইল কৰ্পৰেছন লিমিটেড

৫) পুৱা ১১.৩০ বজাত ঃ সাংস্কৃতিক সমাৰোহ

উদ্ধোধকঃ ড° জীৱন বি. উপায়ুক্ত, ধেমাজি জিলা

অংশগ্ৰহন কৰিবঃ

১) চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়ৰ বিভিন্ন জনগোষ্ঠীয় শিল্পী দল।

২) চিলাপথাৰ শিল্পী সমাজৰ সাংস্কৃতিক দল।

৩) অসম অৰ্কিড চছাইটিৰ বিহু দল।

৬) দুপৰীয়া ১.০০ বজাতঃ জলযোগ

নেতৃত্বতঃ সাৰথি স্বেচ্ছাসেৱী সংস্থা আৰু ছাত্ৰ একতা সভা, চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়

| সমন্বয়ক | সম্পাদক | সম্পাদক | সভাপতি ও সহ-সমন্বয়ক | অধ্যক্ষ |
|---|---|---|---|---|
| ড° পাৰ্থ নাথ দত্ত | শ্ৰী মিঠু গগৈ | শ্ৰী মনোজ কুমাৰ দাস | ড° জিতু গগৈ | ড° ৰঞ্জিত শইকীয়া |
| চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয় | অসম অৰ্কিড ছ'চাইটি | সাৰথি স্বেচ্ছাসেৱী সংস্থা, চিলাপথাৰ | অসম অৰ্কিড ছ'চাইটি<br>চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয় | চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয় |
| ৮৬৩৮০২৩৪২১ | ৯১০১৩৯৮৬১১ | ৯৬৭৮৯১৫৯৪৪ | ৯৯৫৪৩৩৮৮৫৭ | ৭০০২৮১৮৬৭০ |

Scanned with CamScanner